
## পাঠ -১২
# বায়ু আৰু আমাৰ চৌপাশ

Y7W7M3




গাওঁ আহা—



বায়ু আছে গম পাওঁ
বেলুন ফুলালে,
ৰঙা-নীলা চিলাবোৰ
আকাশত উৰালে।

বায়ু আছে গম পাওঁ
বতাহ বলিলে
ধূলি-বালি কাপোৰ-কানি
তুলাবোৰ উৰিলে ।





বায়ু আছে গম পাওঁ
গছ পাত লৰিলে,
ফুটবল, টিউব চকা
বায়ু ভৰাই ঘূৰালে ।

➤ পদ্যটো পঢ়ি বায়ু যে আছে তাক কেনেকৈ গম পালা লিখা—

### ক্রিয়া-কলাপ




তোমাৰ হাতৰ তলুৱাৰ ওপৰত মুখেৰে এবাৰ ফু মাৰি দিয়াচোন। হাতত কিবা লগা অনুভৱ কৰিছানে? তোমাৰ মুখৰ ভিতৰৰ পৰা ওলাই অহা বায়ুৰ বাবে হাতত বতাহ লগাৰ দৰে অনুভৱ কৰিছা।



পলিথিনৰ মোনা এটাৰ মুখখন খুলি ৰাখি তোমাৰ চাৰিওফালেদি এপাক ঘূৰাই লোৱা। এতিয়া খোলা মুখখন বন্ধ কৰি দিয়া। পলিথিনৰ পেকেটটো ফুলি উঠিলনে? কিয় ফুলি উঠিল? পেকেটটোৰ ভিতৰত বায়ু সোমাল কাৰণে ই ফুলি উঠিল।

## ক্ৰিয়া-কলাপ



এটা ডাঙৰ পাত্ৰত পানী ভৰাই লোৱা। এটা খালী বটলৰ খোলা মুখখন ওপৰমুৰাকৈ ধৰি পানীখিনিত পোনে পোনে তললৈ ডুবাই দিয়া। পানীৰ পৰা বুৰ্‌বুৰণি ওলাইছেনে? যদি ওলাইছে, কিয়? বটলৰ ভিতৰত থকা বায়ু বুৰ্‌বুৰণি দি ওলাই গৈছে।



এটা গিলাচত পানী ভৰাই তাত শুকান মাটিৰ সৰু চপৰা এটা পেলাই দিয়া। পানীত বুৰবুৰণি ওলোৱা দেখিছানে? এই বুৰ্‌বুৰণিবোৰ কিহৰ বাবে ওলাইছে? মাটিৰ চপৰাৰ ভিতৰত সোমাই থকা বায়ুখিনি ওলাই আহিছে আৰু সেই ঠাই পানীৰে পূৰ হৈছে। ইয়াৰ পৰা বুজিলা যে মাটিৰ ভিতৰতো বায়ু আছে।

➤ এতিয়া এই কাৰ্যটো চক পেঞ্চিলৰ টুকুৰা বা শুকান ইটাৰ সৰু টুকুৰা এটা লৈ কৰা।

ওপৰৰ কথাখিনিৰ পৰা বুজিব পাৰিলোঁ যে আমাৰ শৰীৰ, খালী বটল বা টেমা, চপৰা মাটি, ইটাৰ টুকুৰা, চক পেঞ্চিল আদিৰ ভিতৰত বায়ু আছে। পলিথিনৰ খোলা মুখৰ মোনাটো ঘূৰাই লোৱাৰ পাছত তাৰ ভিতৰতো বায়ু আছে।

**বায়ু সকলোতে আছে। বায়ু আমি চকুৰে দেখা নাপাওঁ কিন্তু অনুভৱ কৰোঁ।**

### জানি লওঁ আহা—

- মাটিত থকা প্ৰাণী কেঁচু, কুমটি আদিয়ে মাটিত থকা বায়ুৰ পৰা উশাহ লয়।
- পানীত থকা প্ৰাণী যেনে—মাছ, কাছ আদিয়েও উশাহ লয়। ইহঁতে পানীত দ্ৰৱীভূত হৈ থকা বায়ুৰ পৰাই উশাহ লয়।





উশাহ লওঁতে নিজৰ পেটটো ওপৰলৈ উঠি অহা আৰু নিশাহত তললৈ নামি যোৱা কথাটো মন কৰিছানে? তেনেদৰে গৰু, ছাগলী আদি প্ৰাণীবোৰ যেতিয়া শুই থাকে সিহঁতৰ পেটবোৰ উঠা-নমা কৰি থাকে। উশাহত বায়ু ভিতৰলৈ নাকেৰে টানি নিয়া হয়, তেতিয়া পেটটো ওপৰলৈ উঠি আহে। নিশাহত বায়ু এৰি দিওঁতে পেটটো তললৈ নামি যায়। প্ৰাণীৰ দৰে গছ-গছনিয়েও উশাহত বায়ু লয়। উশাহ লোৱা বন্ধ হ'লে প্ৰাণী আৰু উদ্ভিদ জীয়াই নাথাকে।

**জীয়াই থাকিবলৈ সকলো প্ৰাণী আৰু গছ-গছনিক বায়ু লাগে।**

## ক্ৰিয়া-কলাপ



তোমাৰ নাকটোৰ ওচৰত হাতখন ধৰি নিশাহ এৰি দিয়া। হাতখনত কিবা লগাটো অনুভৱ কৰিছানে? এইবাৰ দীঘলকৈ উশাহ লোৱা। নাকৰ ভিতৰলৈ কিবা সোমাই যোৱা অনুভৱ কৰিবা। এয়াই হ'ল বায়ু। উশাহত বায়ু ভিতৰলৈ সোমাই গ'ল আৰু নিশাহত ওলাই আহিল।

গৰমৰ দিনত বতাহ বলিলে গা-মন জুৰ পৰি যায়। চলাচল কৰা বায়ুকে বতাহ বোলে। জোৰেৰে বলা বতাহক ধুমুহা আৰু লাহে লাহে বলা বতাহক ফিৰ্‌ফিৰীয়া বতাহ বোলা হয়।


ৰান্ধনি ঘৰত মাছ-মাংস ৰান্ধিলে তুমি আঁতৰৰ পৰাই গোন্ধ পোৱা নহয়নে? বায়ুৱে বস্তুৰ গোন্ধ বিয়পাই নিয়ে। ধূপ এডাল জ্বলালেও তাৰ গোন্ধ চাৰিওফালে বিয়পি পৰে। গেলা-পচা বস্তুৰ বা জীৱ-জন্তুৰ শৱ গোন্ধ আমি আঁতৰৰ পৰাই পাওঁ। বায়ুৰ নিজৰ কোনো গোন্ধ নাই, ইয়াৰ বৰণো নাই। কিন্তু ইয়াত অন্য বস্তু আহি সহজে মিহলি হয়। তেতিয়া তাক দূষিত বায়ু বোলে। দূষিত বায়ু প্ৰাণী আৰু গছ-গছনিৰ বাবে অপকাৰী। দূষিত বায়ু উশাহত ল'লে তাৰ পৰা আমাৰ অপকাৰ হয়। বেমাৰৰ বীজাণু মিহলি হৈ থকা বায়ু উশাহত ল'লে আমাৰ বেমাৰ -আজাৰো হ'ব পাৰে। মুৰৰ বিষ, চালৰ বেমাৰ, চকুৰ অসুখ, পানী লগা জ্বৰ, কাঁহ আদি দূষিত বায়ুৰ পৰাই হয়।

**উশাহত লোৱা বায়ু নিৰ্মল হ'ব লাগে। গছ-গছনিয়ে দূষিত বায়ুক নিৰ্মল কৰি তোলে।**

## বায়ু কেনেদৰে দূষিত হয় তাক জানি লওঁ আহা—



কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱাৰ পৰা



যান-বাহন চলিলে তাৰ পৰা ওলোৱা ধোঁৱা আৰু ধূলিৰ পৰা



গেলা-পচা বস্তু আৰু জাবৰ-জোঁথৰৰ পৰা



চিগাৰেটৰ ধোঁৱাৰ পৰা





ফট্‌কা ফুটালে তাৰ ধোঁৱাৰ পৰা



প্লাষ্টিক, ৰবৰৰ বস্তু আদি জ্বলালে তাৰ পৰা ওলোৱা ধোঁৱাৰপৰা



পানী লগা জ্বৰ, কাঁহ আদিত ভোগা মানুহে হাঁচি বা
কাঁহ মাৰিলে ওলাই অহা জীৱাণুৰ পৰা

## অনুশীলনী

১) উত্তৰ লিখা—

(ক) বতাহ কাক বোলে ?

(খ) উশাহত লোৱা বায়ু কেনে হ'ব লাগে ?

(গ) বিচনীৰে বিচিলে আমাৰ গাত কি লাগে ?

(ঘ) পানীত থকা জীৱবোৰে ক'ৰ পৰা উশাহ লয় ?

২) খালী ঠাই পূৰ কৰা—

(ক) গৰমৰ দিনত .............................বলিলে গা-মন জুৰ পৰি যায়।

(খ) জোৰেৰে বলা বতাহক...................................বোলে।

(গ) লাহে লাহে বলা বতাহক ................................বোলে।

(ঘ) মূৰৰ বিষ, চকুৰ অসুখ, জ্বৰ, কাঁহ আদি ......................................বায়ুৰ পৰা হয়।

(ঙ) ................................দূষিত বায়ুক নিৰ্মল কৰি তোলে।

৩) শুদ্ধ উত্তৰটো বাছি উলিয়াই '✓' চিন দিয়া—

ফট্‌কা ফুটালে বায়ু দূষিত নহয় /হয়

নিৰ্মল বায়ুৰ বৰণ আৰু গোন্ধ নাই /আছে

বায়ু আমি দেখোঁ /অনুভৱ কৰোঁ ।

জীয়াই থাকিবলৈ গছ-গছনিক বায়ু লাগে /নালাগে ।

বায়ু চাৰিওফালে আছে/ নাই ।

৪) বায়ুৰ চাৰিটা ব্যৱহাৰ লিখা ।

৫) বায়ু দূষিত হোৱাৰ পাঁচটা কাৰণ লিখা ।

৬) দূষিত বায়ুৰ পৰা হোৱা বেমাৰ তিনিবিধৰ নাম লিখা ।

৭) পাৰ্থক্য লিখা ঃ ধুমুহা আৰু ফিৰ্‌ফিৰীয়া বতাহ।

৮) ইটাৰ টুকুৰা এটা পানীত পেলাই দিলে কিয় বুৰ্‌বুৰণি উঠে ?